**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

# ***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি গুজৰাটলৈ যাব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত হ'বলগীয়া ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮১ সংখ্যক অধিবেশনত ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিব।

৩। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰৰ সমীপৰ চন্দ্ৰপুৰত ইছ্ৰ'ৰ উন্নত ৰাডাৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে।

৪। কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে ভাৰতীয় সৌৰ শক্তি নিগমৰ পঞ্চদশ প্ৰতিষ্ঠা দিৱস উপলক্ষে অভিনন্দন জ্ঞাপন কৰিছে।

আৰু

৫। এছিয়ান গেমছৰ ১০ মিটাৰ এয়াৰ ৰাইফল্‌ছৰ দলীয় শাখাত ভাৰতে ৰূপৰ পদক অৰ্জন কৰিছে।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি গুজৰাটলৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ কেৱড়িয়াৰ একতা নগৰত ৭২ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানত সভাপতিত্ব কৰিব। শ্ৰীমতী মুৰ্মুৰে বুধবাৰে বড়োদৰাৰ মহাৰাজা ছায়াজী ৰাও বিশ্ববিদ্যালয়ৰ ৭৫ সংখ্যক বাৰ্ষিক অভিৱৰ্তন অনুষ্ঠানত সভাপতিত্ব কৰিব। তেওঁ লগতে ব্ৰহ্মকুমাৰীৰ এটা বিশেষ অভিযানৰ শুভাৰম্ভ কৰাৰ উপৰি বড়োদৰাত গোলকীয় আধ্যাত্মিক স্থান ৰিট্ৰিট কেন্দ্ৰ উদ্বোধন কৰিব। শ্ৰীমতী মুৰ্মুৰে বিকশিত ভাৰতৰ যুৱ ঃ ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে আভ্যন্তৰীণ সামৰ্থ জগাই তোলা শীৰ্ষক এটা অভিযানো ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰিব।

oooooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত হ'বলগীয়া ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮১ সংখ্যক অধিবেশনত ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিব। কাইলৈৰপৰা ২৮ ছেপ্তেম্বৰলৈ ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত বাৰ্ষিক উচ্চ পৰ্যায়ৰ সাধাৰণ বৈঠকত বিশ্ব নেতাসকলে অংশ ল'ব। অহা ২৬ ছেপ্তেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮১ সংখ্যক অধিবেশনৰ এখন উচ্চ পৰ্যায়ৰ বৈঠকত ড° জয়শংকৰে ভাষণ দিয়াৰ কথা। এই অধিৱেশনৰ বিষয়বস্তু হৈছে – 'আস্থা ঘূৰাই অনা, ৰূপান্তৰৰ ব্যৱস্থা কৰাঃ এখন যুক্তৰাষ্ট্ৰ যিয়ে, সকলোৰে বাবে কাম কৰে'। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ১৯৩ খন সদস্য ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু শীৰ্ষ প্ৰতিনিধিসকলে অংশ লৈ গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় বিষয়ত নিজৰ অগ্ৰাধিকাৰ আৰু স্থিতিক উপস্থাপন কৰিব। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছে বিশ্ব নেতাসকলক আন্তঃৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ বাবে আহ্বান জনাইছে। এটা ভিডিঅ' বাৰ্তাত গুটেৰেছে শান্তি, মৰ্যাদা, ন্যায় আৰু মানৱীয়তাৰ বাবে সকলোকে একেলগ হ'বলৈ আহ্বান জনায়। তেওঁ কয়, যে কেৱল আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ জৰিয়তেহে এখন সুন্দৰ বিশ্ব গঢ়ি তুলিব পৰা যাব। এণ্টনিঅ' গুটেৰেছে এইবাৰ

সাধাৰণ সচিব হিচাপে অন্তিমবাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত অংশ ল'ব। চলিত বৰ্ষৰ শেষৰফালে তেওঁৰ কাৰ্যকালৰ সামৰণি পৰিব।

উল্লেখযোগ্য যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৮১ সংখ্যক অধিৱেশনত গোলকীয় সহযোগিতা পুনৰুজ্জীৱিত কৰা, বহনক্ষম বিকাশৰ লক্ষ্য উন্নত কৰা আৰু শান্তি, মৰ্যাদা আৰু সমতাৰ বাবে সামুহিক কাৰ্যকলাপৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব।

oooooooo

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী মহানগৰৰ সমীপৰ চন্দ্ৰপুৰত ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান - ইছৰ'ৰ উন্নত ৰাডাৰ গৱেষণা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। নেত্ৰা প্ৰকল্পৰ অংশ হিচাপে নিৰ্মাণ হ'বলগীয়া এই অত্যাধুনিক কেন্দ্ৰটোৱে মহাকাশত থকা বিভিন্ন উপাদানৰ গতি-বিধি নিৰীক্ষণৰ লগতে ভাৰতৰ গুৰুত্বপূৰ্ণ মহাকাশ সম্পদসমূহ সুৰক্ষিত ৰখাৰ ক্ষমতা অধিক শক্তিশালী কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে এসময়ত দেশৰ প্ৰধান প্ৰযুক্তি কেন্দ্ৰসমূহৰ পৰা বহু দূৰত বুলি বিবেচিত হোৱা অসমৰ ভূমিত এনে অত্যাধুনিক ৰাষ্ট্ৰীয় আন্তঃগাঁথনি গঢ় লৈ উঠাটো ৰাজ্যবাসীৰ বাবে সন্তুষ্টিৰ বিষয়। ড° শৰ্মাই এই কৌশলগত ৰাষ্ট্ৰীয় প্ৰকল্পৰ বাবে অসমক বাছনি কৰি ভাৰতৰ মহাকাশ আৰু প্ৰযুক্তিৰ মানচিত্ৰত নতুন স্থান প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে।

oooooooo

প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি হামিদ আনচাৰীৰ এটা মন্তব্যক লৈ বিজেপিয়ে আজি কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত দলটোৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে ২০১৯ চনত লিখা এখন কিতাপৰ উদ্ধৃতিৰে প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে সাম্যবাদক হিন্দু জাতীয়তাবাদতকৈ বেছি ভাবুকি স্বৰূপ বুলি প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি হামিদ আনচাৰীয়ে মন্তব্য কৰাৰ অভিযোগ উত্থাপন কৰে। শ্ৰী ত্ৰিবেদীয়ে লগতে আৰু অভিযোগ কৰে যে কংগ্ৰেছে আজি বাওঁপন্থাৰ দিশে অগ্ৰসৰ হৈছে বা বাওঁ আদৰ্শৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছে। তেওঁ লগতে কয়, যে প্ৰাক্তন উপৰাষ্ট্ৰপতিগৰাকীৰ এই মন্তব্যই কংগ্ৰেছৰ মানসিকতাকে প্ৰতিফলিত কৰে।

oooooooo

কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি ভাৰতীয় সৌৰ শক্তি নিগম—SECIৰ পঞ্চদশ প্ৰতিষ্ঠা দিৱস উপলক্ষে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীযোশীয়ে কয়, যে যোৱা ১৫ বছৰত ভাৰতৰ নৱীকৰণযোগ্য শক্তিৰ যাত্ৰা আগবঢ়াই নিয়াত আৰু দেশৰ নিকা শক্তি পৰিৱেশতন্ত্ৰ শক্তিশালী কৰাত SECI-এ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি লক্ষ্মণৰাও ইনামদাৰৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া প'ষ্টত শ্ৰীশ্বাহে কয়, যে লক্ষ্মণৰাও ইনামদাৰে ৰাষ্ট্ৰীয় সেৱা আৰু সহযোগিতাৰ জৰিয়তে সমাজখন শক্তিশালী কৰি তুলিছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে তেওঁ গুজৰাটৰ সমবায় আন্দোলনক নতুন দিশ আৰু গতি প্ৰদান কৰিছে আৰু কৰ্মীসকলক অভিভাৱক হিচাপে গঢ়ি তুলিছে। তেওঁ কয়, যে লক্ষ্মণৰাও ইনামদাৰৰ জীৱন সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎস।

oooooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে যে কেৰলমৰ অষ্টাদশ আন্তঃৰাষ্ট্ৰীয় তথ্যচিত্ৰ আৰু চুটি ছবি মহোৎসৱত প্ৰদৰ্শনৰ বাবে কোনো চলচ্চিত্ৰৰ অনুমতি অস্বীকাৰ কৰা হোৱা নাই। কংগ্ৰেছ নেতা শশী ঠাৰুৰৰ অভিযোগৰ প্ৰত্যুত্তৰ দি মন্ত্ৰালয়ে কয়, যে ছখন চলচ্চিত্ৰক অধিক বিস্তৃত সাৰংশ প্ৰদান কৰিবলৈ অনুৰোধ কৰা হৈছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মন্ত্ৰালয়ে কয়, যে ছবিসমূহৰ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি কিছুমান বিভিন্ন ক্ষেত্ৰীয় কৰ্তৃপক্ষলৈ তেওঁলোকৰ পৰ্যালোচনাৰ বাবে প্ৰেৰণ কৰা হৈছে। শ্ৰী ঠাৰুৰে অভিযোগ কৰিছিল যে মহোৎসৱত কেৰেলমৰ ৩১ খন চলচ্চিত্ৰ প্ৰদৰ্শনৰ অনুমতি দিয়া হোৱা নাছিল।

oooooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয়, যে ভাৰতৰ ঔষধৰ পাৰ্শ্ব প্ৰতিক্ৰিয়া নিৰীক্ষণ যাত্ৰা বছৰ বছৰ ধৰি আত্মনিৰ্ভৰশীলতাৰ উল্লেখযোগ্য নিদৰ্শন হৈ আহিছে। নতুন দিল্লীত ৰাষ্ট্ৰীয় ফৰ্মূলাৰীৰ সপ্তম সংস্কৰণ মুকলি কৰাৰ সময়ত মন্ত্ৰীৰাকীয়ে এইদৰে কয়। মন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান দেশত এক হাজাৰ ১০০ ৰো অধিক ঔষধৰ পাৰ্শ্ব প্ৰতিক্ৰিয়া নিৰীক্ষণ কেন্দ্ৰ কাৰ্যক্ষম হৈ আছে আৰু এই সংখ্যা প্ৰাথমিক স্বাস্থ্য সুবিধা পৰ্যায়লৈকে বৃদ্ধি কৰাৰ বাবে চৰকাৰে লক্ষ্য লৈছে। বিশ্বৰ ২৫ খন দেশে ভাৰতীয় ঔষধ কোষৰ স্বীকৃতি আৰু গ্ৰহণ কৰাৰ লগতে WHO ৰ ৰোগীৰ সুৰক্ষাৰ তথ্য কোষলৈ ঔষধৰ পাৰ্শ্ব প্ৰতিক্ৰিয়া নিৰীক্ষণ যাত্ৰা তথ্য প্ৰদান কৰে।

oooooooo

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল শ্বুটিঙত ভাৰতৰ হিমাংশু ধিলনে ২৫২ দশমিক ৪ পইণ্টেৰে ৰূপৰ পদক আৰু ৰুদ্ৰাংশ পাটিলে ২৩০ দশমিক ৯ পইণ্টেৰে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে হিমাংশু ধিলন, পাৰ্থ মানে আৰু ৰুদ্ৰাংশ পাটিলেৰে গঠিত ভাৰতীয় দলটোৱে ১০ মিটাৰ এয়াৰ ৰাইফলছৰ দলীয় শাখাত ৰূপৰ পদক অৰ্জন কৰে। ইফালে মিক্সড সমৰকলাৰ মহিলাৰ ৬০ কিলোগ্ৰাম শাখাৰ ছেমি ফাইনেলত ছুচিকা টাৰিৱালে ছিংগাপুৰৰ টিউ হুই হ্যনৰ হাতত ০-২ ফলাফলত পৰাজয় বৰণ কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এছিয়ান গেমছ, ২০২৬-ৰ মিক্সড্ সমৰকলাত ব্ৰঞ্জৰ পদক দখল কৰি ইতিহাস ৰচাৰ বাবে ছুচিকা টাৰিৱালক অভিনন্দন জনাইছে। ৰাষ্ট্ৰপতিয়ে পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল্‌ছৰ ব্যক্তিগত শাখাত ৰূপৰ পদক অৰ্জন কৰা হিমাংশু ধিলন আৰু ৰুদ্ৰাংশ বালাচাহেব পাটিলক ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বাবে অভিনন্দন জনাইছে। তেওঁ কয়, যে তেওঁলোকৰ আকৰ্ষণীয় প্ৰদৰ্শনে মনোযোগ, নিষ্ঠা আৰু ক্ৰীড়া উৎকৃষ্টতা প্ৰতিফলিত কৰিছে।

ইফালে, এছিয়ান গেমছৰ ১০ মিটাৰ ৰাইফল্‌ছৰ দলীয় শাখাত ৰূপৰ পদক অৰ্জন কৰাৰ বাবে হিমাংশু ধিলন, পাৰ্থ মানে আৰু ৰুদ্ৰাংশ পাটিলৰ দলটোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয়, যে তেওঁলোকৰ অসাধাৰণ প্ৰদৰ্শনে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁলোকক অনাগত দিনসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই এছিয়ান গেমছৰ ২০২৬ৰ মিক্সড সমৰকলাৰ মহিলাৰ ৬০ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ ছুচিকা টাৰিৱালক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া পোষ্টত শ্ৰীমন্দাভিয়াই কয়, যে এয়া এক ঐতিহাসিক মুহূৰ্ত কিয়নো এয়া হৈছে মিক্সড সমৰকলাত ভাৰতৰ প্ৰথমটো পদক। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে হিমাংশু ধিলন, পাৰ্থ মানে

আৰু ৰুদ্ৰাংশ পাটিলকো এছিয়ান গেমছৰ ১০ মিটাৰ এয়াৰ ৰাইফলছৰ দলীয় শাখাত ৰূপৰ পদক লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

ইপিনে, এছিয়ান গেমছৰ মহিলা ক্ৰিকেটৰ দ্বিতীয়খন ছেমি ফাইনেলত ভাৰতে বাংলাদেশক ১১৪ ৰানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে কাইলৈ হ'বলগীয়া ফাইনেলত শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব।

ভাৰতৰ মহিলা বেডমিণ্টন দলেও কাজাখস্তানক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে ভাৰতীয় পুৰুষ হকী দলে এছিয়ান গেমছত জয়েৰে অভিযান আৰম্ভ কৰিছে। ভাৰতে কালি ইণ্ডোনেছিয়াক ১৩-১ গ'লত পৰাস্ত কৰে। ভাৰত কাইলৈ শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

সমাপ্ত